# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-06-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
--------------------

১।	ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ পাৰস্পৰিক বুজাবুজিৰে বদলিৰ তালিকা পোৰ্টেলযোগে মুকলি।
২।	অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে বিজেপিৰ প্ৰাৰ্থী হিচাপে কনাড পুৰকায়স্থক মনোনীত।
৩।	দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ উৎসাহ-উদ্দীপনাৰে পবিত্ৰ ঈদ-উজ্-জোহা পালন।
৪।	বিশ্ব ঐতিহ্যক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানত ২০২৪-২৫ পৰ্যটন বৰ্ষত ১ কোটি ৫৮ লাখ টকা ৰাজহ সংগ্ৰহ।
*আৰু*
৫।	গুৱাহাটী মহানগৰৰ ৰূপনগৰত যোৱা নিশা ভূমিস্খলনৰ ঘটনাত এজন লোকৰ মৃত্যু।

ooooo

ৰাজ্য চৰকাৰৰ কৰ্মচাৰীৰ পাৰস্পৰিক বুজাবুজিৰে বদলিৰ তালিকা পোৰ্টেলযোগে আজি মুকলি কৰা হয়। স্বাগত সতীৰ্থ পোৰ্টেলৰ জৰিয়তে ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীয়ে এই সুবিধা লাভ কৰিছে। জনতা ভৱনৰ লোক সেৱা ভৱনত এটা বিশেষ অনুষ্ঠানত ভাগ লৈ মুখ্যমন্ত্ৰীয়ে পাৰস্পৰিক বুজাবুজিৰ তালিকা পোৰ্টেলযোগে মুকলি কৰে। পোৰ্টেলত উপলব্ধ নিৰ্দেশ ডাউনলোড কৰি কৰ্মচাৰীয়ে নতুন কৰ্মস্থানত যোগ দিব পাৰিব। এই পোৰ্টেলযোগে ৯ হাজাৰ ৪ গৰাকী কৰ্মচাৰীৰ পাৰস্পৰিক বুজাবুজিৰে বদলি হ'ব। পোৰ্টেলযোগে জনোৱা আবেদনৰ ৪ হাজাৰ ৫০০খন আবেদনত চৰকাৰে অনুমতি প্ৰদান কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰে প্ৰতিটো বিভাগতে স্বচ্ছতা আনিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে পোৰ্টেলযোগে এনে প্ৰচেষ্টা দেশৰ ভিতৰতে প্ৰথম বুলিও উল্লেখ কৰে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুৱাৰ ভাগতে নলবাৰী ভ্ৰমণ কৰে। নলবাৰী-ঘগ্ৰাপাৰত লোকনিৰ্মাণ বিভাগ ৪ কোটি ৯৬ লাখ টকা ব্যয়েৰে নিৰ্মাণ কৰি উলিওৱা অতিথিশালা মুকলি কৰে। অতিথিশালাত ১৬টা কোঠাৰ লগতে প্ৰায় ৬০গৰাকী লোকে ভাগ ল'ব পৰা এটা সভাগৃহ আছে। এই অতিথিশালা মুকলি কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই নলবাৰীৰ চিকিৎসা মহাবিদ্যালয় পথত এখন উৰণ সেতু নিৰ্মাণ কৰাৰ কথাও ঘোষণা কৰে। এই ভ্ৰমণৰ সময়ছোৱাতে সাংবাদিকক সম্বোধন কৰি কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে যোৱা ৪ বছৰত ৰাজ্যৰ প্ৰতিখন জিলাতে উচ্ছেদ অভিযান চলোৱা হৈছে। বৰ্তমান চৰকাৰৰ তৎপৰতাত নতুনকৈ কোনোৱেই আইন বহিৰ্ভুতভাৱে মাটি দখল কৰা নাই। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে আইনী প্ৰক্ৰিয়াৰ অধীনত অনুপ্ৰবেশকাৰী সকলক ওভতাই পঠিওৱাৰ কাৰ্য চলি আছে।

ooooo

শাসনাধিষ্ঠিত বিজেপিয়ে অহা ১৯ জুনত হ'বলগীয়া ৰাজ্যসভাৰ নিৰ্বাচনৰ বাবে অসমৰ পৰা কনাড পুৰকায়স্থক মনোনীত কৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় মহাসচিব অৰুণ কুমাৰ সিনহাই আজি প্ৰদেশ বিজেপিৰ জ্যেষ্ঠ নেতা কনাড পুৰকায়স্থৰ নাম আনুষ্ঠানিকভাৱে প্ৰকাশ কৰে। উল্লেখযোগ্য যে ১৯ জুনত অসমৰ পৰা ৰাজ্যসভাৰ দুখন আসনৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। কনাড পুৰকায়স্থ হৈছে প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবিন্দ্ৰ পুৰকায়স্থৰ পুত্ৰ। ৰাজ্যসভাৰ এই আসনখনৰ প্ৰতিদ্বন্দ্বিতাৰ বাবে বিজেপিৰ ১৩গৰাকী নেতাই আবেদন জনাইছিল। আমাৰ সংবাদদাতাই জনোৱা মতে অসমত ৰাজ্যসভাৰ দুখন আসনৰ এখন আসনত বিজেপিয়ে আৰু আনখনত অগপই প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে মিত্ৰদল দুটাই সিদ্ধান্ত গ্ৰহণ কৰিছিল। বিজেপিয়ে প্ৰাৰ্থী

চূড়ান্ত কৰিলে যদিও এই পৰ্যন্ত অগপই প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই। সোমবাৰ ৯ জুন হৈছে ৰাজ্যসভা নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিন। উল্লেখযোগ্য যে বৰ্তমানৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু মিছ্‌ন ৰঞ্জন দাসৰ কাৰ্যকাল ১৪ জুনত অন্ত পৰিব।

0000000

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলে উৎসাহ-উদ্দীপনাৰে পবিত্ৰ ঈদ-উজ্-জোহা পালন কৰে। এই উৎসৱক ঈদ-অল-আধা বা ঈদ-উল-আজহা বুলিও কোৱা হয়। ঈদগাহসমূহত আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলে সমবেত হৈ ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে ঈদৰ নামাজত অংশগ্ৰহণ কৰে।

**চিৰাং** জিলাৰ ঢালিগাঁও বৰতালোৱা ঈদগাহ ময়দান, বিজনী জুমা মছজিদ, পালেংবাৰী, আলুখুন্দা, বাগৰগাওঁ আদি অঞ্চলৰ বিভিন্ন ঈদগাহ ময়দান আৰু মছজিদ প্ৰাংগনত ভালেসংখ্যক লোকে ঈদৰ নামাজত অংশগ্ৰহণ কৰে। বৰপেটাতো আজি ইছলাম ধৰ্মাৱলম্বি লোকসকলে ঈদ-উজ্-জোহা উলহ মালহেৰে পালন কৰে। **বৰপেটা** সদৰৰ লগতে জিলাখনৰ হাউলী, কুকাৰপাৰ, কয়াকুছি, মন্দিয়া, কলগাছিয়া, পালোহাজি আদি অঞ্চলত অনুষ্ঠিত নামাজত কেইবাহাজাৰো লোকে অংশগ্ৰহণ কৰে। **কাৰ্বি আংলং** জিলাৰ সদৰ চহৰ ডিফুৰ মছজিদ প্ৰাংগনত আজি আলাহাজ মৌলানা গিয়াছুদ্দিনৰ সভাপতিত্বত ঈদৰ নামাজ অনুষ্ঠিত হয়। ইয়াৰ পাছতে মছজিদ সমিতিৰ তৰফৰ পৰা পথচাৰি আৰু সুৰক্ষা কৰ্মীৰ মাজত মিঠাই বিতৰণ কৰা হয়। **ধুবুৰী** কেন্দ্ৰীয় ঈদগাহত আজি অনুষ্ঠিত ঈদৰ সমুহীয়া নামাজত প্ৰায় দুহেজাৰ লোকে অংশগ্ৰহণ কৰে। **তামুলপুৰ** জিলাতো এইবাৰ ইছলাম ধৰ্মাৱলম্বী লোকসকলে ব্যতিক্ৰমী ৰূপত ঈদ-উজ্-জোহা উদযাপন কৰি সজাগতা সভা অনুষ্ঠিত কৰা পৰিলক্ষিত হয়। **তেজপুৰ**ৰ ঐতিহাসিক ঈদগাহ ময়দানত ঈদৰ সমুহীয়া নামাজ অনুষ্ঠিত হয়।

00000

বিশ্ব ঐতিহ্যক্ষেত্ৰ মানস ৰাষ্ট্ৰীয় উদ্যানত ২০২৪-২৫ পৰ্যটন বৰ্ষত ১ কোটি ৫৮ লাখ টকা ৰাজহ সংগ্ৰহত মানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ ৰেঞ্জাৰ বাবিন বড়োৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে, ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বিগত ৮ মাহত এই ৰাজহ সংগ্ৰহ কৰিছে। এই সময়ছোৱাত উদ্যানখনলৈ ৬৪ হাজাৰ ৪৬৩ গৰাকী পৰ্যটকৰ আগমন ঘটে। ইয়াৰ ভিতৰত ৩ হেজাৰ ৭১৯ গৰাকী বিদেশী পৰ্যটক। মানস ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰাকৃতিক দৃশ্য অতি মনোৰম বুলি উল্লেখ কৰি শ্ৰীবড়োৱে উদ্যানখনত জীৱ জন্তুৰ সংখ্যাও বৃদ্ধি পাইছে বুলি জানিবলৈ দিয়ে। উল্লেখযোগ্য যে ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় উদ্যানখনে এইবাৰ পূৰ্বৰ অভিলেখ ভংগ কৰিছে। ২০২৩-২৪ পৰ্যটন বৰ্ষত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ১ কোটি ৩০ লাখ টকাৰ ৰাজহ সংগ্ৰহ কৰিছিল বুলি উদ্যানখনৰ কৰ্তৃপক্ষই সদৰি কৰিছে।

বাইট

00000

সেৱা, সুশাসন আৰু গৰীৱ কল্যাণৰ আদৰ্শৰে দেশে ৰূপান্তৰৰ এটা দশক সম্পূৰ্ণ কৰিছে। চৰকাৰে যোৱা ১১ বছৰে বিভিন্ন গুৰুত্বপূৰ্ণ ক্ষেত্ৰত গ্ৰহণ কৰা পদক্ষেপসমূহৰ সন্দৰ্ভত আকাশবাণীয়ে বিশেষভাৱে প্ৰচাৰ কৰিছে। প্ৰতিগৰাকী নাগৰিকৰ দৈনন্দিন জীৱন কেনেদৰে সূচল, সুৰক্ষিত হৈ পৰিছে সেই বিষয়ে আজিৰ শিতানত আমি পৰিৱেশন কৰিম।

বাইট

*মধ্যবিত্তৰ জীৱন ধাৰণ উন্নত কৰাটো যোৱা এটা দশকত চৰকাৰৰ অন্যতম মুখ্য উদ্দেশ্য আছিল। মধ্যবিত্ত লোকসকলৰ জীৱন ধাৰণ সহজ আৰু অধিক সুৰক্ষিত কৰিবৰ বাবে বাসগৃহৰ পৰা স্বাস্থ্য সেৱালৈ চহৰীয়া জীৱনৰ গতিশীলতাৰ পৰা ডিজিটেল এক্সেছলৈ চৰকাৰে সকলো চেষ্টা কৰিছে। প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ অধীনত ১ কোটি ১৬ লাখতকৈও অধিক বাসগৃহ নিৰ্মাণৰ অনুমোদন হৈছে। ইয়াৰে প্ৰায় ৯৩ লাখ ঘৰ ইতিমধ্যে সম্পূৰ্ণ কৰি গতাই দিয়া হৈছে। একেদৰে স্মাৰ্ট চিটী অভিযানৰ অধীনত অনুমোদিত ৭ হাজাৰ ৫৪৫টা প্ৰকল্পৰ ৯৩ শতাংশ আন্তঃগাঁথনি সম্পূৰ্ণ হৈছে। যোৱা এটা দশকত মেট্ৰ'ৰ নেটৱৰ্ক চাৰি গুণ বৃদ্ধি হৈছে। ২০১৪ চনত ২৪৮ কিলোমিটাৰৰ বিপৰীতে ২০২৫ চনত এহেজাৰ কিলোমিটাৰলৈ বৃদ্ধি পাইছে। একেদৰে উৰণ আঁচনিৰ অধীনত সাধাৰণ লোকৰ যাত্ৰা অধিক সূচল কৰি তোলা হৈছে। ৮৮টা বিমান বন্দৰ, ৬২৫টা আকাশীপথেৰে যোগাযোগ সম্ভৱ হৈ উঠিছে। প্ৰধানমন্ত্ৰী জন আৰোগ্য আঁচনি বিশ্বৰ ভিতৰতে বৃহৎ স্বাস্থ্য নিশ্চিতি আঁচনি হৈ পৰিছে। ৪১ কোটিৰো অধিক লোকক এই আঁচনিৰ জৰিয়তে আয়ুষ্মান কাৰ্ড প্ৰদান কৰা হৈছে। জনঔষধী কেন্দ্ৰ এতিয়া ১৬ হাজাৰতৈও অধিক আছে। এই*

*কেন্দ্ৰৰ জৰিয়তে মানসম্পন্ন ঔষধ ৮০ শতাংশতকৈও কম দামত উপলব্ধ। ইয়াৰ উপৰি জীৱনদায়িনী ঔষধো সাধাৰণ লোকৰ বাবে সুলভ হৈ পৰিছে। ডি জি ল'কাৰৰ দৰে প্লেটফৰ্মৰ বাবে সাধাৰণ লোকে হাতত কাগজ-পত্ৰ লৈ নুফুৰাকৈও হৈছে। ৫২ কোটিৰো অধিক লোকে এই সেৱাৰ সুবিধা গ্ৰহণ কৰিছে। একেদৰে ৮ কোটিৰো অধিক লোকে উমংগ নামৰ এপটোত থকা দুই শতাধিক বিভিন্ন বিভাগৰ সেৱা একে ঠাইতে গ্ৰহণ কৰাৰ সুবিধা পাইছে। আধাৰেও ১৪১ কোটিৰো অধিক নাগৰিকক সাঙুৰি লৈছে। এই সকলো সেৱাই মধ্যবিত্তৰ জীৱন অধিক সহজ আৰু সুৰক্ষিত কৰি তুলিছে।*

০০০০০

গুৱাহাটী মহানগৰৰ ৰূপনগৰত যোৱা নিশা ভূমিস্খলনৰ ঘটনা সংঘটিত হৈ এজন লোকৰ মৃত্যু হৈছে। ৰূপনগৰৰ পাহাৰৰ নামনিত থকা দুটা পৰিয়ালৰ বাসগৃহৰ ওপৰত পাহাৰৰ পৰা এটা প্ৰকাণ্ড শিল খহি পৰে। খহি পৰা শিল আৰু মাটিয়ে ৰেণু বৰ্মন আৰু বিনয় সিং নামৰ দুজন লোকৰ ঘৰ ধ্বংসস্তূপত পৰিণত কৰে। খহি পৰা মাটিৰ তলত মনেশ্বৰ ৰাজবংশী নামৰ এজন লোক আৱদ্ধ হৈ পৰে। ৰেণু বৰ্মনৰ তোলনীয়া পত্ৰ মনেশ্বৰ ৰাজবংশীক উদ্ধাৰৰ বাবে এছ ডি আৰ এফ আৰু অগ্নিনিৰ্বাপক বাহিনীয়ে নিশাই অভিযান আৰম্ভ কৰে। প্ৰায় ১৫ ঘণ্টা অভিযানত অন্তত উদ্ধাৰকাৰী দলে মনেশ্বৰ ৰাজবংশীৰ মৃতদেহটো উদ্ধাৰ কৰে।

০০০০০

সামাজিক মাধ্যমত সাম্প্ৰদায়িক মন্তব্য কৰাৰ অভিযোগত কামৰূপ আৰক্ষীয়ে বকোৰ পথালিপাৰাৰ ছানিদুল ইছলাম নামৰ এজন লোকক যোৱা নিশা গ্ৰেপ্তাৰ কৰে। কেইদিনমান পূৰ্বে ছানিদুল ইছলামে সামাজিক মাধ্যমত এটা ভিডিঅ'যোগে সাম্প্ৰদায়িক মন্তব্য কৰিছিল। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সম্পৰ্কত সামাজিক মাধ্যমত উল্লেখ কৰা অনুসৰি দেশবিৰোধীৰ বিৰুদ্ধে অসম আৰক্ষীয়ে অব্যাহত ৰখা অভিযানত এতিয়ালৈ ৯০জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে।

০০০০০

পশ্চিম কাৰ্বি আংলঙত আজি বিষাক্ত কাঠফুলা সেৱন সন্দৰ্ভত বিশেষ সজাগতা শিবিৰ অনুষ্ঠিত কৰা হয়। যোৱা শুকুৰবাৰে বিষাক্ত কাঠফুলা খাই ৫ গৰাকী লোক বিষক্ৰিয়াত অসুস্থ হোৱাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ একাংশ স্বাস্থ্য কৰ্মীয়ে বিভিন্ন অঞ্চলত এই সজাগতা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত কৰে।

০০০০০

াকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত আকাশবাণীৰ বাতৰি কক্ষৰ বাহিৰতো এটা নিজস্ব পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হোৱা কেইগৰাকীমান বাতৰি পঢ়োতাৰ সৈতে অন্তৰংগ আলাপ প্ৰচাৰ কৰা হ'ব। আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে এই অনুষ্ঠানত অন্তৰংগ আলাপত ভাগ ল'ব আকাশবাণী গুৱাহাটীৰ তিনিগৰাকী বাতৰি পৰিৱেশকে।

০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জিঅ' টেক্সটাইল প্ৰযুক্তিৰে নিৰ্মাণ কৰা ধেমাজী জিলাৰ জীয়াঢলৰ নৱনিৰ্মিত মথাউৰিটো পৰিদৰ্শন কৰে। ধেমাজী, চমৰাজান, জীয়াঢল, হাতীগড়, বাটঘৰীয়া আদি কেইবাটাও পঞ্চায়ত আৰু ধেমাজী নগৰৰ সুৰক্ষাৰ বাবে নিৰ্মাণ কৰা জীয়াঢলৰ নৱ নিৰ্মিত মথাউৰিটো পৰিদৰ্শন কৰি ডাঃ পেগুৱে মথাউৰিটোৰ সুৰক্ষা নিশ্চিত কৰাৰ বাবে নৈৰ জলস্তৰ বৃদ্ধিৰ পূৰ্বেই যাৱতীয় ব্যৱস্থা লবলৈ জলসম্পদ বিভাগৰ বিষয়াসকলক নিৰ্দেশ দিয়ে। মন্ত্ৰীগৰাকীয়ে জলসম্পদ বিভাগৰ বিষয়া কৰ্মচাৰীৰ সৈতে বৰ্মন গাঁৱৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথলৈ প্ৰায় ৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিটো পৰিদৰ্শন কৰে।

০০০০০

কেন্দ্ৰৰ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ১১ বছৰ সম্পূৰ্ণ কৰিবলৈ ওলাইছে। এন ডি এ চৰকাৰৰ এখন উল্লেখযোগ্য ধ্বজাবাহী আঁচনি হৈছে প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ আঁচনি। অসমত এই আঁচনিখনৰ ৰূপায়ণৰ অগ্ৰগতি সম্পৰ্কে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত এটা বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ নতুন আৰু পুনৰব্যৱহাৰযোগ্য শক্তি বিভাগৰ মুখ্য প্ৰবন্ধক বিজয় শংকৰ বৰুৱাৰ সৈতে আকাশবাণী বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ এটা কথোপকথন প্ৰচাৰ কৰা হ'ব।

০০০০০

গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা কাইলৈৰ পৰা পুনৰ আৰম্ভ হ'ব। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ বিপদসীমাৰ তললৈ নামি অহাৰ পৰিপ্ৰেক্ষিতত অভ্যন্তৰীণ জল পৰিবহন বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখযোগ্য যে জলপৃষ্ঠ বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত যাত্ৰীৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বিভাগে বিগত ৫ দিন গুৱাহাটী-উত্তৰ গুৱাহাটীৰ মাজৰ ফেৰী সেৱা বন্ধ ৰাখিছিল।

০০০০০

ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰৰ প্ৰথমজনা সত্ৰাধিকাৰ মথুৰাদাস বুঢ়া আঁতাৰ দুদিনীয়াকৈ অনুষ্ঠিত জন্মোৎসৱ কাৰ্যসূচীৰ আজি সামৰণি পৰে। সত্ৰখনৰ চৌহদত কালিৰে পৰা অনুষ্ঠিত এই জন্মোৎসৱ উপলক্ষে নিতৌ চৈধ্য প্ৰসংগৰ উপৰি ধৰ্মালোচনী সভাও অনুষ্ঠিত কৰা হয়। আনহাতে, থুল দক্ষিণহাটিৰ গায়ন বায়নসকলে গুৰু আসনৰ সন্মুখত **সৰু ধেমালী** পৰিবেশন কৰে। বিয়লি সত্ৰৰ টুপৰ চোতালত আয়সকলৰ নাম অনুষ্ঠিত হয়।

০০০০০

অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ মিয়াওত আলফা নেতা বিনোদ বৰা ওৰফে ৰূপম অসমক লৈ তিনিচুকীয়া আৰক্ষী, সেনা, অৰ্ধসামৰিক বাহিনীৰ যৌথ অভিযানত নগদ ১০ লাখ টকা উদ্ধাৰ হৈছে। যোৱা ২৪ মে'ত তিনিচুকীয়া আৰক্ষীয়ে আলফা স্বাধীনৰ সদস্য ৰূপম অসমক গ্ৰেপ্তাৰ কৰিছিল। অসমৰ লগতে অৰুণাচল প্ৰদেশত সংঘটিত বহুকেইটা কূটাঘাতৰ সৈতে ৰূপম অসম জড়িত আছিল। সম্প্ৰতি আলফা নেতাগৰাকী তিনিচুকীয়া আৰক্ষীৰ জিম্মাত আছে। পূৰ্বেও আলফা সদস্যগৰাকীয়ে লুকুৱাই থোৱা অস্ত্ৰ আৰক্ষীয়ে জব্দ কৰিছিল।

০০০০০

অহা ৯ জুনত অসম বিধানসভাৰ এদিনীয়া বিশেষ অধিবেশন অনুষ্ঠিত হ'ব। অধিবেশনত ডিব্ৰুগড় বিমান বন্দৰৰ নাম ড০ ভূপেনা হাজৰিকা নামেৰে নামকৰণ সম্পৰ্কত সংকল্প প্ৰস্তাৱ গ্ৰহণ কৰা হ'ব। এই অধিবেশনতে ড০ ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপন সম্পৰ্কে প্ৰস্তাৱ গ্ৰহণৰো সম্ভাৱনা আছে।

০০০০০

লখিমপুৰ জিলা সুত সন্মিলনৰ উদ্যোগত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা জিলাখনৰ সুত সম্প্ৰদায়ৰ ১৬০ গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি সদৌ অসম সুত সন্মিলনৰ প্ৰাক্তন সভাপতি উদয় শংকৰ হাজৰিকাই সৰ্বভাৰতীয় জাতি হিচাপে সুত জাতিৰ ইতিহাসৰ ওপৰত আলোকপাত কৰে। সভাত অংশ গ্ৰহণ কৰি লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকাই কৃতী ছাত্ৰ-ছাত্ৰীসকলক জীৱন সংগ্ৰামত আগবাঢ়ি যাবলৈ প্ৰেৰণা যোগায়।

০০০০০

সমাপ্ত